# অসম বিধান সভা
## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
## বুধবাৰ, ১২ মাৰ্চ, ২০২৫

**কৃষি, আবকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, উদ্যান শস্য, অসম চুক্তি ৰূপায়ণ, তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী, সামাজিক ন্যায় আৰু সবলীকৰণ, জলসম্পদ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা, খনি আৰু খনিজাত দ্ৰব্য, বৰাক উপত্যকা উন্নয়ন।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৩৭**

*বিষয় ঃ* **আবকাৰী শুল্কৰ পৰিমাণ**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৪৪০। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ২০১১ চনৰ পৰা বৰ্তমানলৈ বছৰি কিমান পৰিমাণৰ দেশীয় আৰু বিদেশী মদ বিক্ৰী হৈছে?

(খ) ৰাজ্যখনত সংগৃহীত ৰাজহৰ পৰিমাণ কিমান? বৰ্ষ ভিত্তিক দিব।

(গ) অসমত সম্প্ৰতি কিমানখন বিদেশী মদৰ দোকান আৰু দেশীয় মদৰ মহল আছে?

(ঘ) ইয়াত বিক্ৰী হোৱা আৰু ৰাজহ আদায় দিয়া ধনৰ পৰিমাণ কিমান? (দেশী বিদেশী মদৰ বিপনী, মহল প্ৰতিষ্ঠাৰ তাৰিখ, ঠিকনা, মালিকৰ নাম আৰু বিক্ৰী তথা ৰাজহ আদায়ৰ তথ্য দিব)।

(ঙ) ৰাজ্য চৰকাৰে মদৰ বিক্ৰী তথা ৰাজহ আদায়ৰ পৰিমাণ বৃদ্ধি কৰিবলৈ নিৰ্দেশনা জাৰি কৰাৰ কথাটো সঁচানে?

(চ) অত্যাধিক মদ সেৱনৰ ফলত মানুহৰ শৰীৰৰ কি কি অপকাৰ বা উপকাৰ হয় ইয়াৰ সঠিক তথ্য চৰকাৰৰ হাতত আছেনে?

(ছ) যদি আছে, ইয়াৰ প্ৰতিকাৰৰ বাবে চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে?

*বিষয় ঃ* **চুবুৰীয়া ৰাজ্যৰ বিবাদমান অঞ্চলৰ বিষয়ে।**

ডাঃ আচিফ মঃ নাজাৰ ঃ

৪৪১। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ সৈতে চুবুৰীয়া ৰাজ্যৰ বিবাদমান অঞ্চলৰ পৰিসংখ্যা প্ৰদান কৰিব।

(খ) চুবুৰীয়া ৰাজ্যৰে থকা কিমান বিবাদমান অঞ্চলৰ সমস্যা চলিত চৰকাৰৰ দিনত সমাধান কৰা হ'ল? সমস্যাসমূহ সমাধানৰ সময়ত কি কি চৰ্তৰ ভিত্তিত সমাধান কৰা হ'ল? সেই বুজাবুজি চুক্তিৰ প্ৰতিলিপি প্ৰদান কৰিব।

(গ) এই সমস্যা সমাধানৰ জৰিয়তে অসমে নিজৰ এলেকাৰ অধীনত থকা কোন কোন অঞ্চলৰ কিমান মাটি অন্য ৰাজ্যক এৰি দিবলগীয়া হ'ল আৰু কোন কোন অন্য ৰাজ্যৰ দখলত থকা মাটি অসমে লাভ কৰিলে? তাৰ সবিশেষ তথ্য প্ৰদান কৰিব।

(ঘ) মেঘালয় সীমান্তৰে সংলগ্ন কেইবাখনো অসমৰ গাঁৱৰ ৰাইজে মেঘালয়ৰ পৰিষদীয় নিৰ্বাচনত ভোট প্ৰদান কৰা বিষয়টোত চৰকাৰ অৱগতনে? এই ক্ষেত্ৰত চৰকাৰে কি স্থিতি গ্ৰহণ কৰিছে?

*বিষয় ঃ* **অনুসূচীত জাতিৰ উন্নয়নৰ আঁচনি**

শ্ৰীনিজানুৰ ৰহমান ঃ

৪৪২। মাননীয় সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত অন্যান্য পিছপৰা জাতি আৰু অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিভাগৰ অধীনত কি কি আঁচনি গ্ৰহণ কৰিছে আৰু কিমানখন আঁচনি ৰূপায়ণ কৰা হৈছে?

(খ) উক্ত বিভাগৰ অধীনৰ আঁচনিসমূহৰ দ্বাৰা কিমান সংখ্যক ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে?

(গ) অনুসূচীত জাতি আৰু অন্যান্য পিছপৰা জাতিৰ লোকসকলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে বিভাগৰ অধীনত কি কি আঁচনি হাতত লৈছে? (সমষ্টি ভিত্তিত তথ্য সদনত দাখিল কৰিব)

*বিষয় ঃ* **উদ্যান শস্যৰ আঁচনি**

শ্ৰীনজৰুল হক ঃ

৪৪৩। মাননীয় উদ্যান শস্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত বিগত তিনিটা বৰ্ষত উদ্যান শস্য বিভাগৰ দ্বাৰা কি কি আঁচনি ৰূপায়ণ কৰা হৈছে?

(খ) আঁচনিসমূহ কি প্ৰক্ৰিয়াৰে বাচনি কৰা হয়?

(গ) উদ্যান শস্য বিভাগে বৰ্তমানে কোনো আঁচনি হাতত লৈছে নেকি?

*বিষয় ঃ* **জলসম্পদ বিভাগৰ বিভিন্ন কাম সম্পৰ্কে।**

মোঃ আমিনুল ইছলাম ঃ

৪৪৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০২১-২২, ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষটিত জলসম্পদ বিভাগত অসমত সৰ্বমুঠ কিমান টকা ধাৰ্য্য কৰা হৈছিল? ইয়াৰে কিমান টকা মোকলাই দিয়া হৈছে?

(খ) প্ৰতিটো (Division) খণ্ডত কিমান

টকাকৈ প্ৰদান কৰা হৈছে আৰু কিমান শতাংশ কাম সম্পূৰ্ণ হৈছে, খণ্ড প্ৰতি বেলেগ বেলেগকৈ তালিকা সদনত দাখিল কৰিব।

(গ) দঃ শালমাৰা মানকাচৰ খণ্ডত কিমান টকা ধাৰ্য্য কৰা হৈছে আৰু তাৰে কিমান টকা মোকলাই দিয়া হৈছে?

(ঘ) মানকাচৰ সমষ্টি ভিত্তিত কিমান টকা প্ৰদান কৰা হ'ল আৰু এই সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ, জিঞ্জিৰাম, কালো আৰু দুৰ্নী নদীত কি কি প্ৰকল্প চলি আছে আৰু কি অৱস্থাত আছে? তথ্য সহকাৰে জনাব।

(ঙ) দঃ শালমাৰা মানকাচৰ জিলাত কিছুমান কাম নিবিদা নোহোৱাকৈ আগতে ঠিকাদাৰে কাম আৰম্ভ কৰা পৰিলক্ষিত হৈছে। কথাষাৰ কিমান সত্য? আৰু যদি হৈছে, কেনেকৈ হৈ আছে? বিষয়সমূহ বিস্তাৰিতভাৱে সদনৰ মজিয়াত জনাব।

*বিষয় ঃ* **কয়লাৰ অবৈধ খনন**

শ্ৰীঅখিল গগৈ ঃ

৪৪৫। মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কি কি খনিজাত দ্ৰব্য পোৱা যায়? অসমৰ ক'ত ক'ত খাৰুৱা তেল, কয়লা, অৱি কয়লা, গ্ৰেনাইট, চুণশিল পোৱা যায় আৰু সেইবোৰৰ সঞ্চিত ভাণ্ডাৰৰ পৰিমাণ আনুমানিক কিমান আছে? কিমান দিনলৈ এইবোৰে অসমৰ চাহিদা পূৰণ কৰিব?

(খ) অসমৰ ক'ত ক'ত কয়লা অথবা অ'বি কয়লা (Overburden)ৰ খনন বৈধভাৱে চলি আছে? ক'ত ক'ত অবৈধ কয়লা খনন চলি আছে? কয়লাৰ পৰা ২০২০-২১, ২০২১-২২, ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ বৰ্ষত লাভ কৰা ৰাজহৰ পৰিমাণ অৱগত কৰিব ।

(গ) ডিমা হাছাও জিলা, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ক'ত ক'ত অবৈধ কয়লা খনন হৈ আছে? বিস্তৃতভাৱে তথ্য, মেপ (Google map) ৰিমʼৰ্ট চেনচিং তথ্য দিব।

(ঘ) অসমৰ মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি ডিমা-হাছাওত থকা ২৫০ টা ৰেটহল মাইনিঙৰ বিস্তৃত তথ্য দিব। তদুপৰি, তিনিওখন জিলাত থকা অপেন কাষ্ট মাইনিঙৰো সমুদায় তথ্য দিব।

*বিষয় ঃ* **জিলা ভিত্তিক তথ্য**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৪৪৬। মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ আয়ৰ পৰা প্ৰতিখন জিলাত কিছুমান উন্নয়নমূলক কামত অৰ্থব্যয় কৰা হয় নেকি?

(খ) যোৱা ৩ বছৰত অসমৰ কোন কোন জিলাত কি কি উন্নয়নমূলক কামত কিমান টকা ব্যয় কৰা হ'ল?

*বিষয় ঃ* **চৰাইদেউ জিলাত জনসংযোগ বিভাগৰ কাৰ্য্যালয় নিৰ্মাণ সম্পৰ্কে।**

শ্ৰীধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

৪৪৭। মাননীয় তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

চৰাইদেউ জিলাত জনসংযোগ বিভাগৰ স্থায়ী গৃহ নিৰ্মাণৰ বাবে আবণ্টন দিয়া ভূমিত স্থায়ী কাৰ্য্যালয় নিৰ্মাণৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদি বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে, তেনেহ'লে কেতিয়ালৈ কাৰ্য্যকৰী হ'ব, এই বিষয়ে সবিশেষ জনাব।

*বিষয় ঃ* নিচামুক্তি কেন্দ্ৰ

শ্ৰীমতী শিবামণি বৰা ঃ

৪৪৮। মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান ড্ৰাগ্‌ছ আসক্ত কিমান লোক আছে?

(খ) ড্ৰাগ্‌ছ আসক্ত লোকসকলক কোন কোন নিচামুক্তি কেন্দ্ৰত ৰখা হৈছে আৰু চৰকাৰৰ নিজাববীয়া নিচামুক্তি কেন্দ্ৰ কিমান আছে?

(গ) কোন কেইখন জিলাত নিচাসক্তৰ সংখ্যা বেছি?

(ঘ) নিচামুক্তি কেন্দ্ৰসমূহত যিসকল ড্ৰাগ্‌ছ আসক্ত লোকক ৰখা হয় তেওঁলোকৰ ভৰণ-পোষণৰ খৰচ বা আন আৰ্থিক সাহাৰ্য্য চৰকাৰৰ তৰফৰ পৰা দিয়া হয় নেকি?

(ঙ) যদি দিয়া হয়, ২০২০-২১ বৰ্ষৰ পৰা বৰ্তমানলৈকে কিমান পুঁজি ৰাজ্য চৰকাৰৰ পৰা দিয়া হ'ল? জনাব।

(চ) নিচামুক্ত অসমৰ বাবে চৰকাৰে কেনেধৰণৰ সজাগতা, বাটৰ নাট আদি আঁচনি লৈছে? (জিলা ভিত্তিক বাজেটৰ তথ্য দিব)।

*Sub.* : **NFSA, Amar Dukan etc.**

Shri SHERMAN ALI AHMED :

449. Will the Minister of Food, Public Distribution & Consumer Affairs be pleased to state:

(a)How many Fair Price shops are in Baghbar LAC ? Please furnish details alongwith name, address and villages covered by each.

(b)What items are provided through Fair Price shops ? Please furnish Fair Price shop-wise details alongwith quantities during last 3 months and dates of receipt by GPSS and distribution to beneficiaries.

(c)What quantity of SK oil is provided to GPSS under Baghbar LAC for last 6 months ? What quantities are distributed through FP shops and SK oil agents ? Please furnish month-wise details along with name of beneficiaries and quantities for each.

(d)How many 'Amar Dukan's are in Baghbar LAC ? Please furnish GP-wise details.

(e)What action is taken on memo No. 45/D-16(i)2022-23/A dated 22-09-2023 addressed to Director about misappropriation of NFSA rice ? Which officials are involved and action taken against them ?

(f) In view of difficult terrain and higher transportation cost, would the Government be pleased to enhance the transportation cost for char areas ?

*বিষয় ঃ* নদী ভাঙ্গন

শ্ৰীসুজাম উদ্দিন লস্কর ঃ

৪৫০। মাননীয় জল সম্পদ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার LA-07 কাটলিছড়া সমষ্টিতে মামদপুর ২য়, কিল্লারবাক ত্রিগাঙ্গা এবং পালইছড়া তিনটি গ্রামের নদী ভাঙ্গনের বিষয়ে সরকার অবগত আছে কি?

(খ) যদি অবগত থাকে তবে কবে নাগাদ Protection এর কাজ আরম্ভ হবে?

(গ) এই নদী ভাঙ্গনের ফলে প্রায় ৩০ (ত্রিশ)

টি পরিবার গৃহ হারা হয়েছে এই পরিবার গুলিকে পুণরভাষন এর জন্য সরকারের তরফ থেকে কোন পদক্ষেপ নেওয়া হয়েছে কি?

(ঘ) যদি পদক্ষেপ নিয়ে থাকেন তবে কবে নাগাদ পুণরভাষন দেওয়া হবে জানাবেন কি?

*বিষয় ঃ* উৎপাদিত কৃষি সামগ্ৰীৰ বিষয়ে

শ্ৰীফণীধৰ তালুকদাৰ ঃ

৪৫১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পূৰ্বৰ ভবানীপুৰ সমষ্টি বৰ্তমান মানাহ সমষ্টিৰ অন্তৰ্গত আনন্দ বজাৰ, শালবাৰী, ৰূপহী আদি অঞ্চলৰ প্ৰচুৰ পৰিমাণে উৎপাদিত শাক-পাচলি, নেমুটেঙা আদি উচিত মূল্যৰ অভাৱত বিক্ৰী কৰিব নোৱাৰি পেলাই দিব লগা হয়, সেয়েহে ভবানীপুৰ সমষ্টিত এটি শীত তাপ নিয়ন্ত্ৰিত ভড়াল ঘৰৰ ব্যৱস্থা কৰিব নেকি?

(খ) যদি ব্যৱস্থা কৰা হয়, তেনেহ'লে কেতিয়ালৈ ইয়াৰ সুবিধা সাধাৰণ কৃষকে লাভ কৰিব?

*Sub.* : **Anti-erosion measures on the left bank of the Pasnoi River.**

Shri CHARAN BORO :

452. Will the Minister of Water Resources Department be pleased to state ?

(a) A proposal had already been sent for anti-erosion measures on the left bank of the Pasnoi River at Sungabodi in Mazbat Constituency. Will the Government take steps to approve and implement the scheme at the earliest before the arrival of the monsoon ?

(b) Anti-erosion measures were undertaken in the Dhansiri River before 2016 in Mazbat constituency, which helped us and passed 10 years without any trouble. However, this protection work is now at risk of being damaged. Will the Government take measures to address this issue ?

*বিষয় ঃ* আঁচনি সন্দৰ্ভত

শ্ৰীআঃ ছোৱাহান আলী সৰকাৰ ঃ

৪৫৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কৃষকসকলৰ উন্নয়নৰ বাবে চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে, বিতংভাৱে সদনত উল্লেখ কৰিব।

(খ) গোলকগঞ্জ সমষ্টিত RIDF (গ্ৰাম্য আন্তঃগাথনি উন্নয়ন পুঁজি) PMKSY (প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনা) BGREI (পুব ভাৰতৰ সেউজ বিপ্লব সাধন) আৰু RKVY (ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা)ৰ অধীনত কি কি আঁচনি ৰূপায়ণ কৰা হৈছে?

(গ) এই আঁচনিসমূহৰ জৰিয়তে ২৫ গোলকগঞ্জ সমষ্টিত কিমান সংখ্যক কৃষকে সুবিধা পাবলৈ সক্ষম হৈছে? বিতং তথ্য সদনত উল্লেখ কৰিব।

(ঘ) কৃষি বিভাগে কৃষকসকলৰ বাবে কি কি শস্যৰ বীজ যোগান ধৰে? ধুবুৰী জিলাত যোৱা তিনিটা বছৰত কোন কোন শস্যৰ বীজ আৰু কিমান পৰিমাণৰ যোগান ধৰিছিল। বিতং তথ্য সদনত উল্লেখ কৰিব।

(ঙ) বৰ্তমান ধুবুৰী জিলাত কৃষি বিভাগৰ কাৰ্য্যালয় সমূহত কোন কোন পদত কিমান সংখ্যক খালী পদ আছে? এই পদসমূহ পূৰণ কৰাৰ বাবে চৰকাৰে কি পৰিকল্পনা লৈছে উল্লেখ কৰিব।

*Sub.* : **Status of BOP under Mariani LAC.**

Shri RUPJYOTI KURMI :

454. Will the Minister of Border Protection & Development be pleased to state :

(a) Is the Government aware that since 2014, Ramkham BOP under Mariani is running in a Temporary Building ?

(b) If yes, will the Government take urgent step to build up a new BOP Campus in the alloted Government land ?

(c) If yes, by when ?

(d) Is the Government aware that at another two places i.e. at Hoolungooree TE & Nagajanka Udaipur under Mariani LAC, there is demand of new BOP ?

(e) If yes, by when the Government will allot ?

*বিষয় ঃ* **অবৈধ ৰেট হোল মাইনিং**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

৪৫৫। মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন অঞ্চলৰ পৰা অবৈধভাৱে সংগ্ৰহ কৰা শিল, বালি আদি বনজ সম্পদৰ ক্ষেত্ৰত অভিযোগ উঠাৰ পিছত অসম চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিভিন্ন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনৰ ৰায়দান অনুসৰি কি কি পদক্ষেপ লৈছে? তথ্য সদনত দিব।

(খ) গৃহ আৰু ৰাজনৈতিক বিভাগৰ চিঠি নম্বৰ HMA-19015/7/2018-POLITICAL (A)/(eCF No. 58416)/4, Dtd. 07/03/ 2018 ৰ পত্ৰ মৰ্মে Spl. Director General of Police (CID)ৰ তদন্ত আৰু খনিজ বিভাগৰ সঞ্চালকৰ FIR ৰ ভিত্তিত অসমৰ বিভিন্ন জিলাত চলি থকা খনিজ সম্পদৰ অবৈধ খনন আৰু ব্যৱসায় আদি ৰোধ কৰিবলৈ কি কি পদক্ষেপ লৈছে? জনাব।

(গ) ৰেট হোল মাইনিং ৰোধ কৰিবলৈ উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশক উলংঘন কৰি অসমৰ বিভিন্ন জিলাত চলি থকা ৰেট হোল মাইনিং সম্পৰ্কীয় চৰকাৰী তথ্য দাখিল কৰিব।

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধ**

শ্ৰীদিগন্ত বৰ্মন ঃ

৪৫৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰক্ষেত্ৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত 'হানাপাৰা'ত পাগলাদিয়া নদীৰ প্ৰবল গৰাখহনীয়াৰ ফলত কেইবাঘৰো লোক সৰ্বস্বান্ত হোৱা সন্দৰ্ভত চৰকাৰ জ্ঞাতনে?

(খ) বৰলুইতপুৰ, হানাপাৰা আৰু হাবলাখোৱা নামৰ গাঁওকেইখনৰ লোকসকলক গৰাখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) বাৰিষা কালত পানীৰে উপচি পৰা অৱবাহিকাই গতিপথ সলনি কৰাৰ ফলত গৰাখহনীয়াৰ কবলত পৰা গাঁওকেইখন ৰক্ষা কৰিবলৈ সোঁত নিয়ন্ত্ৰণ কৰি পাৰত জিঅ'বেগ (Geo Bag)ৰ দ্বাৰা বান্ধ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **কৃষকৰ আয়, MSP আৰু বানপানী**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৪৫৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কৃষকৰ আয় বৃদ্ধি নোহোৱাৰ কাৰণ কি কি? কৃষকৰ আয় বৃদ্ধি কৰাৰ বাবে কি পৰিকল্পনা আছে?

(খ) শীতল ভঁৰালৰ অভাৱত বহু সময়ত কৃষকৰ উৎপাদিত ফচল নষ্ট হোৱাৰ উপৰিও কম দামত বিক্ৰী কৰিব লগা হয়। এই সমস্যা সমাধানৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

(গ) অসমত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হৈছে? এই আঁচনিৰ দ্বাৰা বানাক্ৰান্ত অঞ্চলৰ বহু কৃষক আজিলৈকে উপকৃত নোহোৱাৰ কাৰণ কি?

(ঘ) অসমত MSP ৰ জৰিয়তে কৃষকৰ পৰা কি কি সামগ্ৰী ক্ৰয় কৰা হয়? ২০১৬ চনৰ পৰা এতিয়ালৈ কিমান দৰত কি কি সামগ্ৰী কোনটো সংস্থাই ক্ৰয় কৰিছে বিতংকৈ জনাব। বিগত দুটা বছৰত MSPত ধান ক্ৰয়ৰ লক্ষ্য কিমান আছিল আৰু কিমান ক্ৰয় কৰা হ'ল জনাব।

(ঙ) ২০১৬ চনৰ পৰা এতিয়ালৈ বানপানীত কিমান কৃষি ভূমি নষ্ট আৰু কৃষক আক্ৰান্ত হৈছে? জিলা ভিত্তিক আৰু বৰ্ষভিত্তিক বিতং তথ্য জনাব।

*বিষয় ঃ* **সীমান্ত সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৪৫৮। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মাটিত ভাৰত-বাংলাদেশ সীমান্তত কিমান কিলোমিটাৰ কাঁটাতাঁৰৰ বেৰ সম্পূৰ্ণ হৈছে? কাঁটাতাঁৰৰ বেৰ দিবলৈ বাকী আছে নেকি? যদি আছে, কিমান কিলোমিটাৰ দিবলৈ বাকী আছে?

(খ) অসমৰ মাটিত ভাৰত-বাংলাদেশ সীমান্ত উন্নয়নৰ বাবে বিভাগে কি কি আঁচনি গ্ৰহণ কৰিছে? আঁচনি সমূহৰ অগ্ৰগতি সম্পৰ্কে জনাব।

(গ) অসমৰ মাটিত ভাৰত-ভুটান সীমান্ত উন্নয়নৰ বাবে বিভাগে কি কি আঁচনি গ্ৰহণ কৰিছে? আঁচনি সমূহৰ অগ্ৰগতি সম্পৰ্কে জনাব।

(ঘ) চলিত বিত্তীয় বৰ্ষত এই বিভাগে উন্নয়নৰ বাবে কিমান ধন ব্যয় কৰিছে? আঁচনিৰ নামসহ ধনৰ পৰিমাণৰ তথ্য দিব।

*Sub.* : **Reports of Retd. Justice BK Sarma and Clause-5.4 of Assam Accord.**

Shri ABDUR RASHID MANDAL :

459. Will the Minister of Implementation of Assam Accord Department be pleased to state :

(a) Whether the Govt. of India and the Government of Assam has accepted the Reports of the High Power Committee headed by Retd. Justice B.K. Sarma for safeguards and economic development of the Assamese people ? If not, why ? If yes, please furnish in details about compliances of its recommendations in details. Please provide copies of the Reports.

(b) What is the definition of Indigenous Assamese as per Assam Accord ?

(c) Whether the Government has details of Foreigners who came to

Assam after 01-01-1966 (inclusive) and upto 24th March, 1971 ? If yers, Please furnish the numbers of such foreigners, how many such foreigners were detected and detected from electoral rolls, how many persons registered themselves before the registration officers as per Clause-5, 4 of Assam Accord.

*বিষয় ঃ* **চৰকাৰী বিজ্ঞাপনত খৰচ**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

৪৬০। মাননীয় তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিত্তীয় বৰ্ষ ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ৰ বৰ্তমানলৈকে চৰকাৰী বিজ্ঞাপনত কিমান ধন খৰচ কৰা হ'ল? বিত্তীয় বৰ্ষ ভিত্তিক বিজ্ঞাপনৰ মাধ্যম যেনে ইলেকট্ৰনিক, ছপা, হৰ্ডিং-বেনাৰ আদিৰ খৰচ পৃথকে পৃথকে উল্লেখ কৰিব।

(খ) বিত্তীয় বৰ্ষ ২০১৬-১৭, ২০১৭-১৮, ২০১৮-১৯, ২০১৯-২০ আৰু ২০২০-২১ ত চৰকাৰী বিজ্ঞাপনৰ বাবদ হোৱা ব্যয়ৰ পৰিমাণ জনাব।

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধ সম্পৰ্কে**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৪৬১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ লেৰুবামুখ, মোৱামাৰী, ভুৰবন্ধা, বৰঘুলি আৰু মৰিগাঁও জিলাৰ ভজাখাইতি, কাঠনি, টেঙাগুৰি, ভুৰাগাঁও আদি অঞ্চলত এতিয়াও গৰাখহনীয়া হৈ থকা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) উক্ত এলেকাৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কি কি আঁচনি বা প্ৰকল্প গ্ৰহণ কৰিছে? বিত্তীয় অনুমোদন আৰু কামৰ অগ্ৰগতিৰ খতিয়ান দিব।

(গ) Immediate measure to restore the damage section B/dyke from Silghat to Dhing, from Ch: 58 KM to 31 KM under SDRF for the year 2015-16 আঁচনি ৰূপায়ণৰ বাবে কাৰ কাৰ ভূমি অধিগ্ৰহণ কৰা হৈছিল? ভূমিৰ মালিক সকলক পৰ্য্যাপ্ত ক্ষতিপূৰণ দিয়া হৈছেনে? (তথ্য সহ জনাব)

*Sub.* : **Implementation of PMFME Scheme.**

Shri SIRAJUDDIN AJMAL :

462. Will the Minister of Horticulture be pleased to state :

(a) Whether the Government is implementing the Centrally Sponsored Scheme-PM Formalization of Micro Food Processing Enterprises (PMFME) Scheme for providing financial, technical and business support for setting up and upgrading micro-food processing enterprises in the state ?

(b) If so, the details thereof ?

(c) Whether there is any proposal to have some new food processing industries in districts of Assam where vegetables are grown on a large scale, and

(d) If so, the details thereof ?

*বিষয় ঃ* **মৰাণ, মটক স্বায়ত্ব শাসিত পৰিষদ**

শ্ৰীবিনোদ হাজৰিকা ঃ

৪৬৩। মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰাণ, মটক স্বায়ত্ব শাসিত পৰিষদক বৰ্তমানলৈ চৰকাৰৰ পৰা কিমান পুঁজি আবণ্টন দিলে। বিতং ভাৱে জনাব।

(খ) উক্ত স্বায়ত্ব শাসিত পৰিষদ কেইখনৰ নিৰ্বাচন অনুষ্ঠিত কৰিবৰ বাবে কিবা পদক্ষেপ লৈছে নেকি? যদি লৈছে, কিমান দিনৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰিব? জনাব।

*বিষয় ঃ* **কৃষিৰ সা-সঁজুলি সম্পৰ্কে**

শ্ৰীসুৰেন ফুকন ঃ

৪৬৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিত কিমানজন কৃষকে মুখ্যমন্ত্ৰী কৃষিৰ সা-সঁজুলি যোগান আঁচনিৰ অধীনত কি কি সা-সঁজুলি লাভ কৰিছে? (বিতং ভাৱে জনাব)

(খ) আধুনিক কৃষি পদ্ধতিৰ সম্পৰ্কত কৃষকসকলৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা হাতত লোৱা হৈছে নেকি? (বিতং ভাৱে জনাব)।

*বিষয় ঃ* **গৰাখহনীয়া প্ৰতিৰোধৰ সম্পৰ্কে**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৪৬৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা বিধান সভা সমষ্টিৰ অন্তৰ্গত পহুমাৰা নদীৰ উত্তৰ পশ্চিম ভেৰালদি আৰু তাপৰবড়ী গাঁও, ভেলেঙ্গী নদীৰ মাজাৰ গাঁও, নাঙলকুৰ আৰু টেকলাৰবালা গাঁও আৰু ব্ৰহ্মপুত্ৰ নদীৰ ৰহমপুৰ, বিলৰটাৰী চকাবাউসী গাঁও, চকাবাউসী পাথাৰ, গৰেমাৰী হাবি, পাহাৰপুৰ আৰু বামুন দংৰা গাঁৱত প্ৰলয়ংকাৰী বানপানীয়ে গৰাখহনীয়াৰ সৃষ্টি কৰিছে। এই বিষয়ে বিভাগ অৱগতনে?

(খ) যদি অৱগত, তেন্তে বিভাগে ইয়াৰ প্ৰতিৰোধৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে? ঠাই বিশেষে লোৱা প্ৰতিৰোধৰ ব্যৱস্থাৰ সবিশেষ জনাব।

(গ) যদি কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই, তেন্তে কেতিয়া এই প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিব বিতংকৈ জনাব।

(ঘ) ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে চকেশ্বৰৰ পৰা বামুন দংৰালৈ পকী মথাউৰি নিৰ্মাণৰ বাবে বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি? বিতংকৈ জনাব।

*বিষয় ঃ* **কৃষিভূমি সংকুচিত হোৱাৰ সম্পৰ্কে**

ডাঃ আচিফ মহম্মদ নাজাৰ ঃ

৪৬৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) খাৰুপেটীয়াত উৎপাদিত শস্যসমূহ খোৱাৰ উপযোগী হয় নে নহয়? খাৰুপেটীয়াৰ শস্য খালে ৰোগত ভুগিব পাৰে বুলি কোনো বিশেষজ্ঞই কৈছে বা প্ৰতিবেদন দিছে নেকি? যদি দিছে, সেই প্ৰতিবেদনৰ প্ৰতিলিপি প্ৰদান কৰিব।

(খ) অসমত বৰ্তমান সৰ্বমুঠ কৃষি ভূমি কিমান? ইয়াৰ কিমান কৃষি ভূমিত বছৰি কি কি শস্য উৎপাদিত হয়? তাৰ তথ্য প্ৰদান কৰিব।

(গ) বিগত সময়চোৱাত কৃষি ভূমি সংকুচিত হোৱা বিষয়টো সত্য নে? যদি সংকুচিত

হৈছে, কি কাৰণত কৃষি ভূমি সংকুচিত হৈছে আৰু বিগত পাঁচ (৫) বছৰত কিমান কৃষি ভূমি সংকুচিত হৈছে? তাৰ তথ্য প্ৰদান কৰিব।

*বিষয় ঃ* **টিভি, বাতৰি-কাকত আদিত জনসংযোগ বিভাগৰ বিজ্ঞাপন।**

শ্ৰীঅখিল গগৈ ঃ

৪৬৭। মাননীয় তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৫-১৬ বিত্তীয় বৰ্ষত বিভাগে অসমৰ বাতৰি কাকত, টিভি চেনেল, আলোচনী আৰু অন্যান্য মাধ্যমত সৰ্বমুঠ কিমান টকাৰ বিজ্ঞাপন প্ৰচাৰ কৰিছিল? বাতৰি কাকতৰ নাম, টিভি চেনেলৰ নাম উল্লেখ কৰি প্ৰতিটোকে দিয়া মুঠ ধনৰ পৰিমাণৰ তালিকা দিব।

(খ) ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত বিভাগে বছৰি বাতৰি কাকত, টিভি চেনেল, আলোচনী আৰু অন্যান্য মাধ্যমত সৰ্বমুঠ কিমান টকাৰ বিজ্ঞাপন প্ৰচাৰ কৰিছে? বাতৰি কাকতৰ নাম, টিভি চেনেলৰ নাম, আলোচনী অথবা অন্যান্য মাধ্যমৰ নাম উল্লেখ কৰি বছৰি প্ৰতিটোক দিয়া মুঠ ধনৰ পৰিমাণৰ তালিকা দিব।

এই চাৰিটা বিত্তীয় বৰ্ষত অন্যান্য চৰকাৰী প্ৰচাৰ, ডিজাইনিঙৰ কাম আদিৰ বাবে কোন কোন ব্যক্তি বা প্ৰতিষ্ঠানক সৰ্বমুঠ কিমান টকাকৈ আদায় দিছে, বিস্তাৰিত ভাৱে জনাব।

(গ) এতিয়ালৈকে কোনো পৰ্টেল চেনেলক বিভাগে বিজ্ঞাপনৰ ধন দিছে নেকি? যদি দিছে, তথ্য দিব। যদি দিয়া নাই, পৰ্টেল চেনেলসমূহক কেতিয়াৰ পৰা বিজ্ঞাপন দিব আৰু কোন কোন পৰ্টেলক দিব সদনক অৱগত কৰিব।

*বিষয় ঃ* **সীমান্ত সুৰক্ষাৰ নামত আবণ্টিত ধনৰ পৰিমাণৰ সম্পৰ্কে।**

মোঃ আমিনুল ইছলাম ঃ

৪৬৮। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১-২২, ২০২২-২৩ আৰু ২০২৩-২৪ চনৰ বিত্তীয় বৰ্ষত সীমান্ত সুৰক্ষা আৰু উন্নয়নৰ ক্ষেত্ৰত কিমান টকা ধাৰ্য্য কৰা হৈছিল?

(খ) উক্ত ধাৰ্য্যকৃত টকা জিলা ভিত্তিত কিমান টকাকৈ আবণ্টন দিয়া হৈছিল আৰু তাৰে কিমান টকা খৰচ কৰা হৈছিল? বিত্তীয় বৰ্ষ হিচাপত তালিকাসহ সদনত বিতংকৈ দাখিল কৰিব।

(গ) আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমা অঞ্চলসমূহত সুৰক্ষাৰ নামত প্ৰদান কৰা ধনৰ পৰিমাণ বেলেগ বেলেগ নেকি? যদি বেলেগ হয়, তেন্তে আন্তঃৰাজ্যিক আৰু ৰাষ্ট্ৰীয় সীমা সুৰক্ষাৰ নামত আবণ্টিত হোৱা টকাৰ পৰিমাণৰ তালিকা সদনত জনাব।

(ঘ) উক্ত ধনৰ ৰাজ্য আৰু কেন্দ্ৰৰ অংশীদাৰিত্বৰ আনুপাতিক পৰিমাণ কিমান?

(ঙ) ওপৰত উল্লেখিত বিত্তীয় বছৰ সমূহত যদি কোনো ধন ধাৰ্য্য কৰা নাই, কি কাৰণত ধাৰ্য্য কৰা নহ'ল? সদনত বিতংকৈ জনাব।

*বিষয় ঃ* **মথাউৰি আৰু চুইচ গেট সম্পৰ্কে**

শ্ৰীফণীধৰ তালুকদাৰ ঃ

৪৬৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পহুমাৰা নদীৰ উত্তৰ অংশ বৰ্তমান মানাহ সমষ্টিৰ অন্তৰ্গত বামুনকাটা গাঁৱৰ পৰা ধেমধেমা হৈ গটিয়া বৰলালৈকে দুয়োফাল উন্মুক্ত অৱস্থাত আছে। এই বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, এই অঞ্চলখিনিত মথাউৰি নাইবা Geo Tube ৰ ব্যৱস্থা কেতিয়া কৰা হ'ব?

(গ) ভৱানীপুৰ সমষ্টিৰ হস্তিনাপুৰ মৌজা আৰু বিজনী মৌজাৰ মাজত টেকলাজান নামৰ এখন গেট আছে, এই গেটখন অতি সৰু বাবে বাৰিষা কালত পানীখিনি ওলাই যাব নোৱাৰে, যাৰ বাবে প্ৰায় ৩০০০ হেক্টৰ মাটিত বাৰিষা পানীৰে ডুব গৈ থাকে। এই গেটখন ডাঙৰ কৰাৰ কিবা ব্যৱস্থা হ'বনে? সবিশেষ জনাব।

*Sub.*: **Anti-erosion measures in Dhansiri River.**

Shri CHARAN BORO:

470. Will the Minister of Water Resources Department be pleased to state :

(a) Anti-erosion measures were implemented in the Dhansiri River in Mazbat constiteuncy before 2016, allowing us to remain trouble-free for the past decade. However, this protective work is now deteriorating. Will the government take necessary steps to restore and strengthen it ?

(b) A proposal has been submitted for anti-erosion measures on the left bank of the Pasnoi River at Sungabodi in Mazbat Constituency. Will the government expedite the approval and implementaion of the scheme this year before the monsoon arrive ?

*বিষয়ঃ* বিলাতী সুৰাৰ দোকান সম্পৰ্কে

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৪৭১। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান বিলাতী সুৰাৰ দোকান আছে? জিলা ভিত্তিত তথ্য দিব।

(খ) চলিত বিত্তীয় বৰ্ষত উক্ত বিভাগে বৰ্তমানলৈ কিমান ৰাজহ লাভ কৰিছে?

(গ) বিভাগৰ নতুনকৈ বিলাতী সুৰাৰ দোকানৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ পৰিকল্পনা আছে নেকি? যদি আছে, ক'ত ক'ত অনুজ্ঞাপত্ৰ প্ৰদান কৰিব?

(ঘ) বিভিন্ন স্থানত সুৰাৰ বিপনীৰ স্থান সম্পৰ্কে ৰাইজৰ আপত্তি আছে। এই বিষয়ে বিভাগ অৱগতনে? যদি অৱগত, আপত্তি থকা সুৰাৰ বিপনীসমূহ অন্য স্থানলৈ স্থানান্তৰিত কৰিব নেকি?

*Sub.*: **Allotment of Mineral Blocks and Rat Hole Mining in Dima Hasao District.**

Shri ABDUR RASHID MANDAL :

472. Will the Minister of Mine and Minerals Department be pleased to state :

(a) Please furnish minerals wise names of Blocks with areas and locations in Assam including name and addresses of persons or companies to whom the Blocks are allotted with quantities of minerals during the period from 2017/18 till date.

(b) Please furnish year wise and Block wise/minerals wise amount of royalties collected during the period from 2017/18 till date.

(c) Is there, any unauthorized or illegal mining or Rat Hole Mining in Assam ? If yes, what actions taken against those who are responsible for unauthorized or illegal mining in Assam ? Please furnish in details.

(d) Is it true, that some labourers died in an illegal or unauthorized Rat Hole Mining in Dima Hasao district in the month of December, 2024? If yes, who is the owner of that illegal or unauthorized mine? What actions are taken against all who are responsible for illegal/unauthorized Rat Hole Mining in Dima Hasao district? Why the local District Commissioner and Superintendent of Police are not held responsible ?

*বিষয়ঃ* বিভাগীয় খৰচ

শ্ৰীআমিনুল ইছলাম (জেষ্ঠ) ঃ

৪৭৩। মাননীয় ছপা আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান ৰাজ্য চৰকাৰৰ গুৰুত্বপূৰ্ণ নথি আৰু পুস্তিকাসমূহ নিজা প্ৰেছত নে বাহিৰৰ প্ৰেছত ছপা কৰা হয়?

(খ) অসমৰ বাহিৰত কোন কোন ৰাজ্যত অসমৰ চৰকাৰী কামৰ নথি ছপা কৰা হয়?

(গ) যোৱা ৩ বছৰত কোন কোন শিতানত আৰু কি কি নথি ছপা কৰাৰ বাবদ কিমান টকা খৰচ কৰা হ'ল? বিস্তাৰিত ভাবে হিচাপ জনাব।

*Sub.*: **Formation of Directorate of Agriculture Engineering and Installation of Solar Power.**

Shri ABDUR RASHID MANDAL :

474. Will the Minister of Agriculture Department be pleased to state :

(a) Whether the Government is aware of the letters of Government of India vide No.-Ag-Engg-2/11/2018-AE/819 dated 24-07-2018, DO No.-817/AM dated 16-08-2023 and DO No.-A.ENGG-14/93/2023-AE dated 31-12-2024 urging State Governments to set up separate Directorate of Agriculture Engineering for the Welfare of the farmers and growth of agriculture mechanization. If yes, what steps are taken in this regards? Will the Government establish the Directorate of Agriculture Engineering in Assam? If yes, when? If not, why ?

(b) Please furnish year wise and district wise numbers of Solar Power operated STWs allocated installed and functioning status during the tenure of present Government.

(c) Please furnish the constituency wise and year wise list of beneficiaries for Solar Power operated STWs in Goalpara district during the tenure of present Government including expenditures incurred per STW.

*Sub.*: **Expenditure Details**

Shri AMINUL ISLAM (SENIOR) :

475. Will the Minister of Information & Public Relation be pleased to state :

(a) What are the works done by the department in last three (3) years?

(b) Kindly furnish the list of events, no. of Hordings, Banners used and the expenditure incurred thereoff.

*Sub.*: **Erosion, conversion of embankment to pucca road in Goalpara West LAC.**

Shri ABDUR RASHID MANDAL :

476. Will the Minister of Water Resources Department be pleased to state :

(a) Whether the Government is aware or not about erosion at Kumri-Khutamari areas in 38-Goalpara West LAC ? If not, will Government instruct the officials concerned to inspect the sites to ascertain the severances and extent of erosion ? If yes, what measures are taken to arrest the erosion for protection of properties and lives of the people of the erosion affected areas till date ?

(b) Is there any proposal pending with the Government which was submitted by the EE, WR Goalpara Division for protection of Kumri-Khutamari areas from erosion of the river Brahmaputra ? If not, will the Government instruct the officials concerned to survey the erosion affected areas for preparation of estimates and submission of the same to the Government for approval ?

(c) If yes, whether the proposal is approved or not ? If not, why? When the proposal will be approved? Whether the Government is aware or not about the causes of erosion of river banks at Pancharatna-Kumri areas in Goalpara district for digging of riverbeds for collection of sands and soils ? If yes, why such digging is allowed ? If not, will Government enquire it by any State Level Officials ?

Assam Government Press 48/25-LAQ-550-07-03-2025